# 'আধুনিক অসমীয়া উপন্যাসত সামাজিক অসমতা' শীৰ্ষক আলোচনা সাহিত্য অকাদেমিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২ আগষ্ট ঃ** সাহিত্য অকাদেমিয়ে সমসাময়িক পৰিস্থিতিত 'ৱেবলাইন লিটাৰেচাৰ ছিৰিজ' শিতানত বিভিন্ন সাহিত্যৰ অনুষ্ঠান আয়োজন কৰিছে। অসমীয়া ভাষাৰ সমন্বয়ক ড° ধ্ৰুৱজ্যোতি বৰাৰ তৎপৰতাত ৩১ জুলাইত 'বিগত দুটা দশকৰ আধুনিক অসমীয়া উপন্যাসত সামাজিক অসমতা' বিষয়ত সাহিত্য অকাদেমিয়ে সাহিত্যৰ এক আলোচনাৰ আয়োজন কৰে। অসমীয়া সাহিত্যৰ বিশিষ্ট সমালোচক, তথা উত্তৰ লখিমপুৰ মহাবিদ্যালয়ৰ অধ্যাপক ড° অৰবিন্দ ৰাজখোৱা, বিশিষ্ট ঔপন্যাসিক তথা সমাজকৰ্মী জুৰী বৰা বৰগোহাঞি আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° সত্যকাম বৰঠাকুৰক সমল ব্যক্তি হিচাপে লৈ আলোচনাচক্ৰখন অনুষ্ঠিত হয়। অনলাইন 'জুম এপ'ৰ সহায়ত অনুষ্ঠিত হোৱা ৱেবিনাৰখনত খুব কম সময়ত সঠিককৈ তিনিগৰাকী সমল ব্যক্তিয়ে বিষয়টো সন্দৰ্ভত আলোকপাত কৰে। ছয়ত্ৰিশ মিনিটৰ ৱেবিনাৰখনত প্ৰথমে সমল ব্যক্তি ড০ অৰবিন্দ ৰাজখোৱাই ক্ষেত্ৰ বিশেষে সামাজিক অসমতাৰ কথা স্পষ্ট কৰিবলৈ একবিংশ শতিকাৰ অৰুণ শৰ্মাৰ 'সংকল্প', ধ্ৰুৱজ্যোতি বৰাৰ 'স্বৰ্গাদপি', প্ৰাৰ্থনা শইকীয়া 'জঁটাধাৰী', সন্তোষ কুমাৰ কৰ্মকাৰৰ 'অগ্ৰদূত' জীৱন নৰহৰ 'চোৰা পীতাম্বৰ মেঘবৰণ ছাই উৰে' আদি নিৰ্বাচিত কেইখনমান উপন্যাসৰ চমু পৰিচয় দিয়ে। দ্বিতীয়তে সমল ব্যক্তি ঔপন্যাসিক জুৰী বৰা বৰগোহাঞিয়ে ধ্ৰুৱজ্যোতি বৰাৰ 'আজাৰ', অৰূপা পটংগীয়া কলিতাৰ 'ফেলানী', জয়ন্ত মাধৱ বৰাৰ 'মৰিয়াহোলা', অনামিকা বৰাৰ 'অস্তিত্ব', নন্দিতা দেৱীৰ 'বগুল বহুদূৰ', প্ৰশান্ত দাসৰ 'নীল তমালৰ ৰ'দ', নীলাক্ষি চলিহা গগৈৰ 'ঐয়া মোৰ ডিব্ৰু-ছৈখোৱা' গীতালি বৰাৰ 'বুদ্ধজায়া' আদি উপন্যাসৰ বিষয়ত চমু পৰ্যালোচনা দাঙি ধৰে। লগতে একবিংশ শতিকাৰ জাতীয়তাবাদ, প্ৰব্ৰজন, ৰাজনীতি, নিম্নবৰ্গীয় ধাৰণাৰ কথাবোৰ কেনেকৈ উপন্যাসত অংকিত হৈছে তাক গুৰুত্বসহকাৰে উপস্থাপন কৰে। ৱেবিনাৰখনৰ আন এগৰাকী সমল ব্যক্তি ড° সত্যকাম বৰঠাকুৰে একবিংশ শতিকাৰ সামাজিক অসমতা আৰু উপন্যাস পৰ্যালোচনাৰ কঠিন দিশৰ কথা অৱগত কৰি একবিংশ শতিকাৰ সমাজ পৰ্যৱেক্ষণৰ দিশত (বিতচকু)ৰ প্ৰয়োজন বুলি উল্লেখ কৰে। উত্তৰ ঔপনিৱেশিক প্ৰেক্ষাপটে কঢ়িয়াই অনা সামাজিক অসমতা, আশা আৰু আশাহীনতা ধাৰণা, কেন্দ্ৰ-প্ৰান্তত ধাৰণাৰ ৰাজনৈতিক আৰু ভৌগোলিক স্থিতি, খিলঞ্জীয়া বা ভূমিপুত্ৰৰ ধাৰণাৰ কথা তেওঁ উনুকিয়ায়। সাহিত্য অকাদেমিৰ ভাৰপ্ৰাপ্ত বিষয়া ড° মিহিৰ কুমাৰ চাহুৱে সূত্ৰ ধৰা সীমিত সময়ৰ অনুষ্ঠানটোৰ যোগেদি এই শতিকাৰ দুটা দশকৰ উপন্যাসৰ সঠিক পৰ্যৱেক্ষণ হয়। ইউটিউব আৰু সাহিত্য অকাদেমিৰ ৱেবছাইট আৰু ফেচবুক পেজত উপলব্ধ আলোচনাৰ ভিডিঅ'টো যথেষ্ট সংখ্যক সাহিত্যানুৰাগী ভিউৱাৰে প্ৰত্যক্ষ কৰি শলাগ লৈছে।

# ডিব্ৰুগড়ত ঈদ-উজ-জোহা পালন

**ডিব্ৰুগড়, ২ আগষ্ট ঃ** দেশৰ তথা ৰাজ্যৰ অন্যান্য

আমোদ-প্ৰমোদৰ পৰা এইবাৰো ইছলামধৰ্মাৱলম্বী

দৈনিক জনমভূমি

# সাহিত্য অকাদেমিৰ বিশেষ অনুষ্ঠান

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২ আগষ্ট ঃ সাহিত্য অকাদেমিয়ে সমসাময়িক পৰিস্থিতিত 'ৱেবলাইন লিটাৰেচাৰ ছিৰিজ' শিতানত বিভিন্ন সাহিত্যৰ অনুষ্ঠান আয়োজন কৰিছে। অসমীয়া ভাষাৰ সমন্বয়ক ড° ধ্ৰুৱজ্যোতি বৰাৰ তৎপৰতাত ৩১ আগষ্টত 'বিগত দুটা দশকৰ আধুনিক অসমীয়া উপন্যাসত সামাজিক অসমতা' বিষয়ত সাহিত্য অকাদেমিয়ে সাহিত্যৰ এক আলোচনাৰ আয়োজন কৰে। অসমীয়া সাহিত্যৰ বিশিষ্ট সমালোচক, তথা উত্তৰ লখিমপুৰ মহাবিদ্যালয়ৰ অধ্যাপক ড° অৰবিন্দ ৰাজখোৱা, বিশিষ্ট ঔপন্যাসিক তথা সমাজকৰ্মী জুৰী বৰা বৰগোহাঞি আৰু লেখক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° সত্যকাম বৰঠাকুৰক সমল ব্যক্তি হিচাপে লৈ আলোচনা-চক্ৰখন অনুষ্ঠিত হয়। অনলাইন 'জুম এপ'ৰ সহায়ত অনুষ্ঠিত হোৱা ৱেবিনাৰখনত খুব কম সময়ত সঠিককৈ তিনিগৰাকী সমল ব্যক্তিয়ে বিষয়টো সন্দৰ্ভত আলোকপাত কৰে। ৩৬ মিনিটৰ ৱেবিনাৰখনত প্ৰথমে সমল ব্যক্তি ড° অৰবিন্দ ৰাজখোৱাই বিভিন্ন উপন্যাসৰ বিষয়ত চমু পৰ্যালোচনা দাঙি ধৰে। লগতে একবিংশ শতিকাৰ জাতীয়তাবাদ, প্ৰব্ৰজন, ৰাজনীতি, নিম্নবৰ্গীয় ধাৰণাৰ কথাবোৰ কেনেকৈ উপন্যাসত অংকিত হৈছে, তাক গুৰুত্বসহকাৰে উপস্থাপন কৰে। ৱেবিনাৰখনৰ আন এগৰাকী সমল ব্যক্তিয়ে ড° সত্যকাম বৰঠাকুৰে একবিংশ শতিকাৰ সামাজিক অসমতা আৰু উপন্যাস পৰ্যালোচনাৰ কঠিন দিশৰ কথা অৱগত কৰি একবিংশ শতিকাৰ সমাজ পৰ্যবেক্ষণৰ দিশত বিতচকুৰ প্ৰয়োজন বুলি উল্লেখ কৰে। উত্তৰ ঔপনিবেশিক প্ৰেক্ষাপটে কঢ়িয়াই অনা সামাজিক অসমতা, আশা আৰু আশাহীনতা ধাৰণা, কেন্দ্ৰ প্ৰান্তত ধাৰণাৰ ৰাজনৈতিক আৰু ভৌগোলিক স্থিতি, খিলঞ্জীয়া বা ভূমিপুত্ৰৰ ধাৰণাৰ কথা তেওঁ উনুকিয়ায়। সাহিত্য অকাদেমিৰ ভাৰপ্ৰাপ্ত বিষয়া ড° মিহিৰ কুমাৰ চাহুৰে সূত্ৰ ধৰা সীমিত সময়ৰ অনুষ্ঠানটোৰ যোগেদি এই শতিকাৰ দুটা দশকৰ উপন্যাসৰ সঠিক পৰ্যবেক্ষণ হয়। ইউটিউব আৰু সাহিত্য অকাদেমিৰ ৱেবছাইট আৰু ফেচবুক পেজত উপলব্ধ আলোচনাৰ ভিডিঅ'টো যথেষ্টসংখ্যক সাহিত্যানুৰাগী ভিউৱাৰে প্ৰত্যক্ষ কৰি শলাগ লৈছে।